| | | | |
|---|---|---|---|
| <?xml version="1.0" ?> | | | |
| <?xml-stylesheet type="text/css" href="home.css"?> | | | |
| <Doc id="ass-w-media- | AS00095 | " | lang="Assamese"> |
| <Header type="text"> | | | |
| <encodingDesc> | | | |
| <projectDesc> | CIIL- Assamese Corpora, Monolingual Written Text | | </projectDesc> |
| <samplingDesc> | Simple written text only has been transcribed. Diagrams, pictures and tables have been omitted. Samples taken from page 4-5, 10-11, 14-15-16-17, 20-21, 24-25-26-27, 30-31, 34-35-36-37 | | </samplingDesc> |
| </encodingDesc> | | | |
| <sourceDesc><biblStruct> <source> | | J.B. College Library | |
| | <category> | Aesthetics | </category> |
| | <subcategory> | Literature-Criticism | </subcategory> |
| | <text> | Book | </text> |
| | <title> | shang'karadewa Aru asamara saMhati : praYojanIYatA Aru prAsang'gikatA | </title> |
| | <vol> | | </vol> |
| | <issue> | | </issue> |
| </source> | | | |
| <textDes> | | | |
| | <type> | | </type> |
| | <headline> | | </headline> |
| | <author> | adhyApaka caiYada Abdula mAlika | </author> |
| | <words> | 1924 | </words> |
| </textDes> | | | |
| <imprint> | | | |
| | <pubPlace> | Guwahati-Assam | </pubPlace> |
| | <publisher> | pUrbanj'cala prakAsha | </publisher> |
| | <pubDate> | 1989 | </pubDate> |
| </imprint> | | | |
| <idno type="CIIL code"> | | | </idno> |
| <index> | | AS00095 | </index> |
| </biblStruct></sourceDesc> | | | |
| <profileDesc><creation> | | | |
| | <date> | 19-Feb-2009 | </date> |
| | <inputter> | Rina Sarkar | </inputter> |
| | <proof> | Chuchen Dutta | </proof> |

| | | |
|---|---|---|
| </creation> | | |
| <langUsage> | Assamese | </langUsage> |
| <wsdUsage> | | |
| <writingSystem id="ISO/IEC 10646">Universal Multiple-Octet Coded Character Set (UCS). </writingSystem> | | |
| </wsdUsage> | | |
| <textClass> | | |
| <channel mode="w"> | print | </channel> |
| <domain type="public"> | | </domain> |
| </textClass></profileDesc></Header> | | |
| <text><body> | | |
| <p> | আজিৰ আলোচ্য বিষয়ত মই দন্তস্ফুট কৰিবলৈ নিবিচাৰোঁ, মালিক চাহাবে ক'ব। মহাপুৰুষৰ যি কীৰ্তি তাৰ সবাতোকৈ মহত্বপূৰ্ণ দিশ হ'ল এইটোৱেই যে, গুৰুজনে সাধাৰণ মানুহৰ কাৰণে আৰু সাধাৰণ মানুহক লৈয়েই গোটেই আন্দোলনটো গঢ়ি তুলিছিল। যি সকলক ভকত কৰিছিল সেই সকলো সাধাৰণ মানুহ। নাৰায়ণ ঠাকুৰ আতাই গোটাই আনি ভকত কৰা আগৰ শাক্ত গোবিন্দ আছিল ৰজাৰ গৰমলি অৰ্থাৎ আজিৰ পুলিচ-কনিষ্টবলৰ পৰ্য্যায়ৰ লোক। আতাৰ-লগৰ কালিৰাম আছিল নাৱৰীয়া। জয়ন্তিৰ মধায়ে জল-কৰ তোলা বিষয় থাইছিল। তপাৰ বলোৰাম আতৈ পূৰ্বতে এঘৰত পাঁচটকা ৰূপৰ বাবে বন্ধা আছিল। তেওঁৰ বন্ধুৱা থকা ধন দি তেওঁক মোকলাই আনি ধৰ্মৰ ভিতৰুৱা কৰি লোৱা হৈছিল। জীৱন্মুক্ত বুলি জীৱন কালতে সন্মানপোৱা শ্ৰীৰাম আতা আছিল সিমলুৱা বোলা ঠাইত দুনিয়া অৰ্থাৎ টকা লৈ ধান দোৱা দাৱনি। গাৰোৰ পৰা অহা গোবিন্দ আতৈ আছিল হালেৱা। গুৰুজনৰ আনসকল শিষ্যও একে মানদণ্ডৰে লোক আছিল। মাধৱদেৱৰ শিষ্যসকলৰ মাজতো সাধাৰণ পৰিশ্ৰম কৰি ভাতমুঠি উলিওৱা লোকেই সৰহ। তেনেলোকৰ সৈতেই মহাপুৰুষে ধৰ্মৰ প্ৰকাশ ঘটাই তাৰ পোহৰ তাহানিৰ অসমৰ সকলোতে ছটিয়াইছিল, সেইসকলৰ মাজত প্ৰেমভক্তিৰ বাণী, গীতেৰে মাতেৰে মুখৰ কৰি বিতৰণ কৰিছিল। আটাইতকৈ সাৰ্থকতাপূৰ্ণ কথা হ'ল যে গুৰুজনে সাধাৰণ মানুহক সম্বোধিহে ধৰ্মৰ বাণী বিস্তাৰ কৰি থৈ গৈছে। শঙ্কৰদেৱে জনসাধাৰণক উদ্দেশি প্ৰচাৰ কৰা এই ধৰ্ম, প্ৰেমৰ ধৰ্ম, ভক্তি ধৰ্ম। জনজাতি আৰু ইচলাম ধৰ্মীলোক সমন্বিতে অসমৰ প্ৰজাসাধাৰণক | </p> |

| | | |
|---|---|---|
| | মহাপুৰুষে কেনেকৈ সাৱটি ধৰিছিল, তাৰ ইঙ্গিত চৰিতবিলাকে দিয়ে। | |
| <p> | এই অসম বা আহোম, গাৰো, ভোট, কাছাৰী, যৱন বা মুছলমানসকল হিন্দুধৰ্মৰ বাহিৰৰ লোক আছিল। তেওঁলোকক ধৰ্ম দি, তেওঁলোকক হৰিৰ নাম দি মহাপুৰুষে তেওলোকৰ জীৱন উদাত্তীকৃত কৰিলে। এইটোও মন কৰিবলগীয়া কথা যে মহাপুৰুষে প্ৰেমধৰ্মৰ বাণীৰে সাৱটি লোৱা এইসকল ধৰ্মৰ একেবাৰে উচ্চস্তৰলৈ উঠিছিল। উদাহৰণস্বৰূপে, গুৰুজনে চান্দসাঁইক আত্মাৰ পৰিচয়েৰে আত্মীয় কৰি লৈছিল। চান্দসাঁই আতৈয়ে সমাজত দেউৰী উঠি প্ৰসাদ বিতৰণ কৰিছিল বুলি কথিত আছে। অৱশ্যে এই বিষয়ে নানা মত আছে। আনটো কথা হ'ল, ভকতসকলৰ পৰম পৱিত্ৰ বস্তু মালা জপ। আজিও চান্দসাঁই সেই কন্ঠিমালা ছকুৰি মালাগুটিৰ এটি হৈ আমাৰ পৰম তত্বৰ মাজত সোমাই আছে। অৰ্থাৎ মহাপুৰুষৰ অন্য পৰমভক্ত সকলৰ সমমৰ্যাদাৰে যৱন চান্দসাঁইক গ্ৰহণ কৰি লোৱা হৈছিল। মাধৱদেৱেও জয়হৰি বোলা এজন যৱনক ধৰ্ম দিছিল। তেওঁকো আনভকতসকলৰ যি সম্মান সেই সকলোখিনি দিয়া হৈছিল। | </p> |
| <p> | সেইকালত মহাপুৰুষক অনেকে বিৰোধ কৰিছিল। বিৰোধীদলৰ কথাত লাগি মহাৰাজ নৰনাৰায়ণে গুৰুজনক প্ৰাণে মাৰি “চালেৰে দামা চাম, হালেৰে ৰাম শঙ্কৰ” বুলি প্ৰতিজ্ঞা কৰিছিল। কিন্তু সেই প্ৰতিজ্ঞাৰ ঠাইত মহাৰাজে মহাপুৰুষক প্ৰথম লগ পোৱাতে আদৰেৰে গ্ৰহণ কৰিলে আৰু এসময়ত, আপোনালোকে জানে, তেওঁ মহাপুৰুষৰ শিষ্য হ'বৰ কাৰণেও আকাঙ্ক্ষা কৰিছিল। অৱশ্যে মহাপুৰুষে তেওঁক শিষ্য নকৰিলে বুলি চৰিতবিলাকে কয়। সেই বিৰোধ যে হৈছিল, তাৰ ফলত ভকতসকলৰো নানা নিৰ্য্যাতন হৈছিল। ইয়াৰ পিচৰ অসমৰ ধৰ্মৰ বুৰঞ্জীলৈও আমি যদি চাওঁ, তেতিয়াও আমি দেখোঁ যে সেই ধৰ্মৰ বুৰঞ্জী বৰ সুগম নহয়। | </p> |
| <p> | আমাৰ এই অসম দেশত, এই কামৰূপত বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰপৰা আজিলৈকে বহুত ৰজা হ'ল নৃপতি হ'ল, স্বৰ্গদেৱ হ'ল, মহাৰাজাধিৰাজ হ'ল। বহুত উত্থান-পতন হ'ল, অসমৰ মাটিৰ ওপৰেদি বহুত ক্ৰান্তিকাৰী বতাহ ধুমুহা বৈ গ'ল। | </p> |

| | | |
|---|---|---|
| <p> | আজি আমাৰ এইখন অসমৰ চিনাকি ক’ৰবাত দিব লাগিলে কিহেৰে চিনাকি দিম? এইখন অসমক কোন ৰজাৰ ৰাজত্বকালৰ চীল মোহৰেৰে চিনাকি দিম, ৰাজপ্ৰাসাদৰ ভগ্নাৱশেষেৰে নে, ৰাজ আলিৰ ধূলি-মাকতিৰে চিনাকি দিম? মামৰে ধৰা ঢাল-তৰোৱালেৰে চিনাকি দিম, নে ক’ৰবাত যাদুঘৰৰ চুকত পৰি থকা, পচি উৱঁলি থকা কোনোবা ৰজাই কেতিয়াবা পিন্ধা ৰাজপোছাকেৰে? চিনাকি দিবলৈ আমাৰ লাচিত-চিলাৰায়ৰ কীৰ্তি আছে, কিন্তু তেওঁলোকতকৈও ডাঙৰ সেনাপতি বীৰ পৃথিৱীত আছে। স্বাধীন অসমদেশৰ ৰজা ৰুদ্ৰসিংহ আছিল। কিন্তু তেওঁতকৈও ডাঙৰ দিগ্বিজয়ী ৰজা অন্য দেশত, অন্য প্ৰান্তত আছে। চিনাকি দিবলৈ আমাৰ কাজিৰঙাৰ গঁড় আছে, কিন্তু আফ্ৰিকাতো গঁড় আছে। | </p> |
| <p> | পৃথিৱীৰ ক’ৰবাত অসমৰ অতীত আৰু বৰ্তমানৰ চিনাকি দিবলৈ আমাৰ আজি কি সম্বল আছে? কিবা আছেনে? একোৱেই নাইনে? কাৰ চিনাকিৰে আমি আমাৰ চিনাকি দিম? কাৰ তুলিকাৰে অসমৰ মানচিত্ৰক আঁকিম? কাৰ ভাষাৰে অসমৰ প্ৰাণৰ কথা ক’ম? | </p> |
| <p> | খৃষ্টীয় বিংশ শতিকা আহি ইয়াৰ শেষ দশকৰ দুৱাৰডলিত ৰৈছেহি। এটা দীঘল হুমুনিয়াহেৰে এই চলিত সংঘাতপূৰ্ণ, বৈচিত্ৰ্যময় শতিকাটোৱে মেলানি মাগিবলৈ ওলাইছে। এইটো শতিকাৰ সাক্ষী থাকিল বিশ্বজোৰা দুখন ভয়ংকৰ মহাসমৰ, যাৰ ফলত ধ্বংস হ’ল হাজাৰ হাজাৰ গাঁও, নগৰ, মহাসাগৰ; ধ্বংস হ’ল হাজাৰ হাজাৰ গাওঁ, নগৰ, মহামগৰ; ধ্বংস হ’ল কেইবা কোটিও সামৰিক, অসামৰিক মানুহৰ মূল্যবান জীবন। এই বিংশ শতিকাৰ সাক্ষী থাকিল মানুহৰ জ্ঞান-বুদ্ধি, সৃষ্টি-অপসৃষ্টিৰ নানা অভূতপূৰ্ব বিচিত্ৰ উদ্ভাৱন, আৱিষ্কাৰ। সাক্ষী থাকিল প্ৰকৃতিৰ বুকুত সোমাই থকা অণু-পৰমাণুৰ শক্তিক মানুহৰ অধীন কৰাৰ চমকপ্ৰদ মহত্ব আৰু তাৰপৰাই মানুহৰ অপসৃষ্টিৰ জাৰজ সন্তান অণুবোমাৰ মাৰণাস্ত্ৰ উদ্ভাৱনৰ অপকীৰ্তি, যাৰ সহায়ত লক্ষ লক্ষ মানৱ জীৱনক মুহূৰ্ততে ছাঁই ভস্ম কৰি নিশ্চিহ্ন কৰি দিয়াটো ল’ৰাধোমালিত পৰিণত হ’ল। | </p> |

| | | |
|---|---|---|
| <p> | বিংশ শতিকাৰ বিদায় ক্ষণৰ এই গভীৰ, বিষণ্ণ দীৰ্ঘশ্বাস সমাগত একবিংশ শতিকাৰ কাণত নপৰাকৈ থকা নাই। বিদায়ী ঊনবিংশ শতিকাই সমাগত একবিংশ শতিকালৈ উপহাৰ হিচাপে আগবঢ়াইছে পৃথিৱীৰ এশ কোটি খাবলৈ আহাৰ নোহোৱা, নিৰন্ন, উপবাসী ক্ষুধাতুৰ মানুহ। তাতোকৈ অধিক সংখ্যক গা ঢাকিবলৈ কাপোৰ নোহোৱা বস্ত্ৰহীন, উলংগ মানুহ আৰু তাতোকৈ অধিক সংখ্যক ঔষধ পথ্য চিকিৎসাৰ অভাৱত মৰিবলৈ বাট চাই থকা ব্যাধিগ্ৰস্ত, ভগ্নস্বাস্থ্য, ৰুগ্ন মৰণমুখী মানুহ। মহামাৰী এপিডেমিক, খণ্ড-যুদ্ধ, সংঘৰ্ষ, দুৰ্ঘটনা আৰু আকস্মিক অপমৃত্যুৰ চিকাৰ হবৰ কাৰণে সাৰ্বজনীন মৰিশালী, কবৰস্থান আৰু চিমেটাৰীৰ পথত ভৰি দিবলৈ মৃত্যু-মিচিলত শোভাযাত্ৰা কৰি আগুৱাই যোৱা লক্ষ লক্ষ অসহায় মানুহো একবিংশ শতিকালৈ কুৰি শতিকাৰ উপহাৰ। এহাতে অভাৱনীৰ উন্নতি আৰু প্ৰগতি, আনহাতে মানুহৰ জীৱনৰ স্থিতিৰ অস্থিৰতা, ইয়াৰ মাজেদিয়ে আজিৰ পৃথিৱী আগবাঢ়িছে একবিংশ শতিকাৰ বুকলৈ, আশা আৰু আশংকা বুকত লৈ। | </p> |
| <p> | বৰ্তমান সময়ত সমগ্ৰ পৃথিৱীতে ৰাজনীতিয়ে ধৰ্মতকৈ অধিক গুৰুত্ব আৰু প্ৰাধান্য লাভ কৰিছে। প্ৰতিজন নাগৰিকৰ জীৱনৰ প্ৰায় সকলো দিশৰ ওপৰতে ৰাজনীতিয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰভাৱ পেলাইছে। এনে ৰাজনীতিয়ে প্ৰতিজন নাগৰিকৰ কৰ্তব্য আৰু দায়িত্বৰ কথা সঁকিয়াই দিয়াৰ প্ৰয়াস কৰিছে। | </p> |
| <p> | কিন্তু ৰাজনীতিয়েই মতান্তৰক মনান্তৰলৈ, অনৈক্যক বিৰোধ-বিবাদলৈ আৰু সংঘৰ্ষলৈও পৰিবৰ্তিত কৰিছে। কোনো ব্যক্তিৰ, গোষ্ঠীৰ, শ্ৰেণীৰ, সম্প্ৰদায়ৰ বা স্বাৰ্থবিশেষৰ প্ৰাধান্য প্ৰতিপত্তি বিস্তাৰ কৰিবৰ কাৰণে ৰাজনৈতিক শক্তি আয়ত্ব কৰিবলৈ যুঁজ কৰাটো হৈ পৰিছে ৰাজনীতিৰ দেখদেখ উদ্দেশ্য। এখন ৰাষ্ট্ৰত ব্যক্তিৰ অৱস্থান শাসক-শক্তিৰ খেয়াল-খুচিৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে। আনকি ব্যক্তিৰ পৰিচয় মানুহ হিচাপে নিৰ্ণীত হোৱাৰ ঠাইত সেই ব্যক্তিৰ ৰাজনৈতিক বা দলীয় আনুগত্যৰ নিচিনা কথাৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে। ফলত ধৰ্মই সকলো মানুহকে ওচৰ চপাই অনাৰ যি প্ৰয়াস কৰে, আজিৰ ৰাজনীতিয়ে | </p> |

| | | |
|---|---|---|
| | তাৰ ঠাইত মানুহ আৰু মানুহৰ মাজত বিভেদ-বিৰোধৰ প্ৰাচীৰ গঢ়ি তোলাতহে সাফল্য লাভ কৰিছে। অথচ মানুহৰ কাৰণেই ৰাজনীতি বুলি কোনো ৰাজনীতিকেই চীৎকাৰ নকৰাকৈ নাথাকে। | |
| <p> | যি সামাজিক ন্যায় ৰাষ্ট্ৰীয় একতাৰ ভিত্তি হব পাৰে, যি শ্ৰেণীসংগ্ৰাম প্ৰগতিৰ সোপান হব পাৰে, যি গণতন্ত্ৰ প্ৰতিজন ব্যক্তিৰ মৰ্যাদা আৰু অধিকাৰৰ দলিল হব পাৰে, যি ৰাজনৈতিক ব্যৱস্থা শোষণৰ অন্ত পেলোৱাৰ অস্ত্ৰ হব পাৰে, যি আইন অত্যাচাৰীৰ অত্যাচাৰৰপৰা দুৰ্বলক ৰক্ষা কৰাৰ মেগ্নাকাৰ্টা হব পাৰে, বৰ্তমানৰ ৰাজনীতিয়ে এনেবোৰ ভূমিকা পালন কৰিছে বুলি কব পাৰি জানো? | </p> |
| <p> | প্ৰায় গোটেই পৃথিৱীতে দেখা যায় সৰ্বসাধাৰণৰ শিক্ষাহীনতা বা অজ্ঞতাৰ সুযোগ লৈ ধৰ্মৰ আনুষ্ঠানিকতাৰ উৰ্ধৰ কিছুমান কথা তত্ত্বজ্ঞ পুৰোহিত শ্ৰেণীটোৱে সৰ্বসাধাৰণৰপৰা আঁতৰাই আছুতীয়া কৰি ৰাখিবলৈ বিচাৰে। ইয়াৰ ফলত একে ধৰ্মৰ অনুগামী লোকৰ মাজতে শ্ৰেণীবিভাগ হয়, এদল সৰ্বজ্ঞ হৈ সৰহ সংখ্যকক অজ্ঞ কৰি ৰখাৰ ষড়যন্ত্ৰত লিপ্ত হয়। পিছলৈ ধৰ্মতত্ত্বৰ তথাকথিত সৰ্বজ্ঞ শ্ৰেণীটোৱে এনে বিশেষ জ্ঞানক জন্মগত বা বংশগত বুলি প্ৰতিপন্ন কৰাৰ কৌশল উদ্ভাৱন কৰাত ধৰে। আৰু ধৰ্মতত্ত্বৰ গূঢ় ৰহস্যৰ বাহিৰত থিয় কৰি ৰখা শ্ৰেণীটোক একে ধৰ্মৰ অনুগামী হলেও প্ৰাপ্য মৰ্যাদা আৰু সামাজিক আৰু ধৰ্মীয় অধিকাৰৰ পৰা বঞ্চিত কৰি ৰখাৰ ব্যৱস্থা কৰে আৰু তাৰ কাৰণে ধৰ্মৰ বাহ্যিক ৰীতি অনুষ্ঠানবোৰকে ধৰ্ম বুলি প্ৰত্যয় যোৱাবলৈ যত্ন কৰে। | </p> |
| <p> | এটা সামাজিক গাঁথনি নতুনকৈ শক্তিশালীভাৱে গঢ়ি তুলিবৰ কাৰণে তাৰ উপযোগী এটা অনুশাসন বা ডিচিপ্লিন আৰু সকলোৱে গ্ৰহণ পালন কৰিব পৰা কিছু আনুষ্ঠানিকতাৰ প্ৰয়োজন আছে। কিন্তু আনুষ্ঠানিকতা কেৱল আকৃতি-প্ৰকৃতিৰ বিশেষত্ব ৰক্ষাৰ কাৰণেহে। আনুষ্ঠানিকতাই মূল বা সাৰবস্তু নহয়, মূল বস্তুৰ আধাৰহে। পাঁচশ বছৰৰ আগৰ অসমৰ সমাজখনত নতুনকৈ প্ৰতিষ্ঠা কৰিবলৈ লোৱা বৈষ্ণৱ সমাজখনৰ গাঁথনিটোৰ বৈশিষ্ট্য প্ৰতিপন্ন কৰিবৰ কাৰণে কিছুমান  সহজে পালন কৰিব পৰা উদাৰ আনুষ্ঠানিকতাৰ কাৰ্যকাৰিতা আৰু প্ৰয়োজনীয় | </p> |

| | | |
|---|---|---|
| | অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু মানুহটোৰ কাৰণেহে চোলাটো, চোলাটোৰ কাৰণে মানুহটো নহয়; সাধাৰণতে পৃথিৱীৰ প্ৰায় সকলো ধৰ্মত বাহ্যিক ৰীতি-নীতি আৰু অনুষ্ঠানবোৰেই সৰ্বস্ব হৈ পৰা দেখা যায়। ইয়াৰ ফলত ধৰ্মৰ প্ৰাণবস্তুৰ শ্বাসৰুদ্ধ হোৱাৰ অৱস্থা হয়। | |
| <p> | সাধক শঙ্কৰদেৱৰ চকুত এক নতুন অনাৱিষ্কৃত দিগন্তৰ ছয়ামস়া ছবি হয়তো ভাঁহি উঠিছিল- এখন শুদ্ধ, সত্ব, ব্যাপ্ত বৈষ্ণৱ সমাজ, এখন নিস্বাৰ্থ ভক্তৰ সমাজ, এখন সাম্য আৰু মানৱতাৰ ভিত্তিত প্ৰতিৰ্ষ্ঠিত সুন্দৰ সমাজ। ভক্তৰ সামগীতেৰে উত্তপ্ত এখন শোষণমুক্ত সমৃদ্ধ সমাজ। নিৰক্ষৰ, অশিক্ষিত দৰিদ্ৰ হলেও গীত, নৃত্য, বাদ্য, নাট, অভিনয় কলাৰ অধিকাৰী এখন মানসিকভাবে সমৃদ্ধ আৰু ঐশ্বৰ্য্যশালী সমাজ, জীৱনৰ নতুন মূল্য আৰু তাৎপৰ্য্য উপলব্ধি কৰিবলৈ উদ্যত আৰু প্ৰস্তুত এখন নতুন মানুহৰ সমাজ। কছাৰী-চুটীয়া, মৰাণ, আহোম, মিৰি, কেঁওট, কলিতা, ব্ৰাহ্মণ, দৈৱজ্ঞ, মুছলমান, বৌদ্ধ, পৰ্বতীয়া, ভৈয়াময়ী, কৈৱৰ্ত, চণ্ডাল সকলোকে সামৰি লৈ এখন নতুন বিৰাট সমাজ। এই সকলো জাতি, উপজাতিৰ আশা-আকাঙ্ক্ষা, শ্ৰম, সাধনা, স্বপ্ন চেতনাৰ সমন্বয়ৰ মাজেদি গঢ়ি উঠা, ভগৱানক চিনি পোৱা, জীৱনৰ অৰ্থ বুজি পোৱা এখন হৰিভকতৰ সমাজ। এই পুণ্যভূমি ভাৰতবৰ্ষৰ বুকুত প্ৰাচীন উপলব্ধি আৰু অক্ষয় মূলধনেৰে সংসাৰৰ হাট বেহাবলৈ সাজু এদল নতুন মানুহৰ সমাজ। এক নতুন মানৱপ্ৰেমৰ পৱিত্ৰ নদীৰ শীতল পানীত অবগাহন কৰি নিৰ্মল নিকা হৈ পৰা এখন নিজ নিজ বৃত্তিত আস্থাৰে লাগি থাকি সমাজৰ কল্যাণ আৰু অগ্ৰগতি অব্যাহত ৰাখিবলৈ সঙ্কল্পবদ্ধ সমাজ। | </p> |
| <p> | এই ক্ষেত্ৰত পূৱ ভাৰতত মহাপুৰুষ শঙ্কৰদেৱ আছিল এক অভ্ৰান্ত বাটকটীয়া। ৰজাঘৰৰ বা নিজ ধৰ্ম অনুগামী একশ্ৰেণী লোকৰ অপ্ৰিয়ভাজন হোৱাটোত অধিক ক্ষতিৰ আশংকা আছিল। কিন্তু ইয়াৰ বাবে আতংকিত বা চিন্তিত হোৱাতকৈ সমসাময়িক কালৰ অসমীয়া সমাজখনলৈ নতুন মূল্যবোধেৰে সুস্থ আৰু অভ্ৰান্ত দিগদৰ্শন কৰি এক নতুন সমাজ মানসৰ জন্ম দিবলৈ সাহসেৰে আগবাঢ়ি যোৱাটো আছিল | </p> |

| | | |
|---|---|---|
| | এক বৈপ্লৱিক পদক্ষেপ আৰু তাৰ কাৰণে প্ৰয়োজন হোৱা সকলো ধৰণৰ ত্যাগ কৰিবলৈ নিজক আৰু তেতিয়াৰ বৈষ্ণৱ সমাজখনক দৃঢ়ভাৱে প্ৰস্তুত কৰিব পৰাটোৱেই আছিল শঙ্কৰদেৱৰ গভীৰ আদৰ্শনিষ্ঠাৰ স্পষ্ট নিদৰ্শন। পুৰণি ধ্যান-ধাৰণা আৰু পুৰণি মূল্যবোধৰ আধাৰত গঢ় লোৱা সমাজখনৰ গাঁথনি নতুনকৈ ৰচনা কৰিবৰ কাৰণে পৰিবৰ্তনমুখী নতুন সমাজখনৰ নতুন বিন্যাসৰ ক্ষেত্ৰত নতুন মূল্যায়ন কিদৰে প্ৰযোজ্য হ'ব পাৰে তাৰ সূত্ৰ সন্ধান কৰাই আছিল শঙ্কৰদেৱৰ সংগ্ৰাম আৰু শ্ৰমচেষ্টাৰ মূল বস্তু। তাৰেই ফলস্বৰূপে বাস্তৱত ৰূপ লৈ উঠিছিল এক অভিনৱ সামাজিক বিপ্লৱ, উন্মেষ হৈছিল এক নতুন সভ্যতা আৰু সংস্কৃতিৰ, জন্ম হৈছিল সাহিত্যৰ এক শক্তিশালী নতুন ধাৰাৰ, ৰূপ লৈ উঠিছিল নতুন সংগীত, নতুন কলা ভাস্কৰ্য আৰু নতুন জীৱনাদৰ্শৰ। জীৱনৰ সুদীৰ্ঘ পৰিক্ৰমাত শঙ্কদেৱ যলৈকে গৈছিল তাতেই গঢ় লৈ উঠিল এখন নতুন সমাজ, এখন বৈষ্ণৱৰ সমাজ, এখন মানুহৰ সমাজ। লিখিব পঢ়িব নজনা, আখৰ জ্ঞানো নথকা খাটি-খোৱা মানুহৰ চকুৰ আগত স্পষ্ট হৈ উঠিল বেদ, বেদান্ত, গীতা, ভাগৱত, পুৰাণ কাব্যৰ মাজত হেজাৰ বছৰ দুৰ্বোধ্য দুৰ্লভ হৈ সোমাই থকা আখ্যান, উপাখ্যান, দৰ্শন, ইতিহাস, জ্ঞান-বিজ্ঞানৰ কথা। | |
| <p> | শঙ্কৰদেৱৰ প্ৰতিভা জন্মগত। কিন্তু সেই প্ৰতিভাৰ বিকাশ ঘটাবৰ কাৰণে তেতিয়াৰ অসম দেশত, তেতিয়াৰ সমাজখনত এটা অনুকূল পৰিবেশ আছিল জানো? তেওঁৰ মেধাশক্তিও জন্মগত। কিন্তু সেই সুপ্ত মেধাৰ জেউতি বিয়পাই তুলিবৰ কাৰণে মহেন্দ্ৰ কন্দলীৰ টোলখনেই জানো উপযুক্ত ক্ষেত্ৰ আছিল? কন্দলীৰ টোলে নে আশপাশৰ সমাজখনে তেওঁক জ্ঞানকৰ্ষণৰ পঢ়াশালি হৈ জীৱন আৰু জগতৰ অৰ্থ বিচৰাৰ পথলৈ অজানিতে টানি নিছিল? জ্ঞান কাহানিও অনায়াসসাধ্য নহয়, সহজসাধ্য নহয়। জ্ঞানক পূৰ্ণ ৰূপত আয়ত্ব কৰিবৰ কাৰণে লাগে ক্লান্তিহীন শ্ৰম। কৃষকে পথাৰত কৰা শ্ৰমে শস্যৰ ভঁৰাল ভৰায়। জ্ঞানান্বেষীৰ শ্ৰমৰ ফলাফল সোণালী গুটিধান নহয়, এই শ্ৰমে অজ্ঞানতাৰ বন্ধ ঘৰৰ দুৱাৰ মুকলি কৰি দিয়ে, পোহৰ সোমাই আহে ভিতৰলৈ, দেখুৱাই দিয়ে, চিনাই | </p> |

| | | |
|---|---|---|
| | দিয়ে জীৱন-পথৰ খলাবমা, ওখৰামোখৰিবোৰ। জ্ঞানান্বেষীয়ে সাহস পায় আন্ধাৰৰ আৱৰণ ফালি পোহৰৰ অনাৱিষ্কৃত দেশৰ পথিক হবৰ কাৰণে। মানুহৰ সেই সৰ্বকালৰ প্ৰাৰ্থনা- তমসো মা জ্যোতির্গময়, মৃত্যুৰ্মা অমৃতং গময়- সেই জ্যোতিৰ দেশৰ, অমৃতৰ দেশৰ প্ৰৱেশপথৰ সিংহদ্বাৰ খোলাৰ সঁচাৰকাঠি জ্ঞান, জ্ঞানৰ আলোক; যি জ্ঞানে চিনাই দিশে বিনয়ৰ পথ, ভক্তিৰ পথ, আত্মোৎসৰ্গৰ পথ। পুথিৰ পাতত এই আপুৰুগীয়া ৰত্ন সোমাই নাথাকে, থাকে কেৱল প্ৰচ্ছন্ন ইংগিত। এই ইংগিতক অনুসৰণ কৰি মেধাবীজনে, প্ৰতিভাশালীজনে হীৰা-মুকুতাৰ ৰত্নভাণ্ডাৰত হাত দিয়ে, অনৰ্থৰ ধূলি-বালি তলৈ সৰি পৰে, প্ৰকট হৈ উজ্বলি উঠে অৰ্থ- যি সত্য ৰূপত, নিত্য ৰূপত, শাশ্বত ৰূপত অবিনশ্বৰ ৰূপত ধৰা দি মৰ্ত্যৰ মানুহক মহাজীৱনৰ মহাপথিক কৰি তোলে। | |
| <p> | বহুত পুৰণি আন্ধাৰে ঢাকি ৰখা এখন সমাজক নতুন পোহৰৰ মাজলৈ লৈ যোৱাৰ সংকল্পক কাৰ্যত ৰূপ দিয়াটো সহজসাধ্য আৰু নিৰ্বিৰোধ কথা নাছিল। ভাৰতীয় ভাষাবোৰৰ শব্দকোষত এনে কিছুমান শব্দ আছিল (যিবোৰ আজিও আছে) নীচ, শঠ, কপট, হিংসুক, জিঘাংসু, পৰশ্ৰীকাতৰ, মিথ্যাবাদী, অকৃতজ্ঞ, কৃতঘ্ন, চকুচৰহা, অজীণপাতকী ইত্যাদি। এনেবোৰ শব্দৰ বৰ্তমানে এনে বিশেষণ পোৱাৰ উপযোগী কিছুমান মানুহ সেইখন সমাজত থকাৰ প্ৰমাণ দিয়ে। এনেবোৰ শব্দ শূন্যৰপৰা আহি শব্দকোষত ঠাই কৰি লোৱাহি নাই। শঙ্কৰদেৱৰ যুগৰ অসমতো নিশ্চয় ইয়াৰে কিছুমান শব্দ ইয়াৰে কিছুমান মানুহৰ সম্পৰ্কে প্ৰয়োগ কৰা হৈছিল। আগে হয়তো সমাজত এনে চৰিত্ৰৰ মানুহৰ সংখ্যা সৰহ নাছিল। আজিকালি এনে বিশেষণৰ অধিকাৰীৰ সংখ্যাই সমাজত বেছি। শঙ্কৰদেৱ এনেবোৰ শক্তিৰ সমুখীন হৈছিল। নতুনত্বৰ বিৰুদ্ধে খড়্গহস্ত এখিনি বিৰোধী শক্তিৰ লগত নিজৰ স্বাৰ্থত নহয়, সমাজৰ, ভৱিষ্যতৰ অসমীয়া তথা ভাৰতীয় সমাজখনৰ স্বাৰ্থত দৃঢ়তাৰে যুঁজিবৰ কাৰণে তেওঁ সষ্টম হৈছিল। সামাজিক ৰূপান্তৰৰ যি স্বপ্নই তেওঁক উদ্বুদ্ধ আৰু অনুপ্ৰাণিত কৰিছিল, সেই স্বপ্ন তেওঁ সমাজ-জীৱনৰ মাজলৈ বিস্তাৰিত কৰিবৰ কাৰণে সংগ্ৰাম কৰি গৈছিল। মাধৱদেৱ আদি সেই | </p> |

| | | |
|---|---|---|
| | আদৰ্শৰ উত্তৰ পুৰুষসকল আছিল সেই সংগ্ৰামেৰ যুঁজাৰু, সেই আলোকৰে মশালবাহক। শঙ্কৰদেৱে আৰম্ভ কৰা সেই বিপ্লৱী অভিযান আজিও চলি আছে। নিজৰ স্বয়ম্ভূ প্ৰতিভাৰ ফিৰিঙতিক এক অনিৰ্বাণ জ্যোতি শিখালৈ ৰূপান্তৰিত কৰি তাৰে আনৰ জীৱনৰ পথো উজ্জ্বল কৰি তুলিব পৰাৰ সকলো কীৰ্তি শঙ্কৰদেৱৰ। তেওঁৰ এই জীৱনজোৰা সংগ্ৰাম আৰু জীৱনৰ সকলো শ্ৰম চেষ্টা অধ্যাৱসায় দি লক্ষ্যত উপনীত হোৱাৰ দৃঢ় পদক্ষেপৰ কথা মনত পেলালে শ্ৰদ্ধা-ভক্তিত শঙ্কৰদেৱৰ ওচৰত আপুনি মূৰ দোঁ খায়। | |

</body></text></Doc>